অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ১০৯
উত্তৰ দিয়াৰ তাৰিখ- –০৮/০৭/২০২৬

*বিষয়ঃ* **বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন আৰু দিব্যাংগৰ পেঞ্চনৰ ধন বৃদ্ধি সন্দৰ্ভত।**
বিধায়কঃ শ্ৰী অখিল গগৈ:

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য কাৰ্য্যসূচী (NSAP) আৰু ৰাজ্যিক আঁচনিৰ অধীনত বৃদ্ধ, বিধৱা আৰু দিব্যাংগসকলৰ বাবে আবন্টিত সামাজিক সুৰক্ষা পেঞ্চনৰ পৰিমাণ বৰ্তমানৰ বজাৰ মূল্যৰ সৈতে সংগতি ৰাখি বৃদ্ধি কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি? অসমৰ সৰ্বমুঠ বৃদ্ধ, বিধৱা দিব্যাংগ লোকৰ মুঠ সংখ্যা কিমান আৰে তাৰে কিমানে পেঞ্চন লাভ কৰে, জিলা ভিত্তিক তথ্য দিব।
(খ) সামগ্ৰিকভাৱে হিতাধিকাৰীৰ যোগ্যতা পুনৰীক্ষণ (Re-verification) প্ৰক্ৰিয়াত হোৱা অনিয়মৰ বাবে কিমান হাজাৰ প্ৰকৃত দৰিদ্ৰ পৰিয়াল বৰ্তমান এই পেঞ্চন লাভৰ পৰা বঞ্চিত হৈ আছে আৰু ইয়াৰ সুনিৰ্দিষ্ট জিলাভিত্তিক তথ্য কি জনাব।

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত **অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) বৰ্তমান সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ অধীনত ৰূপায়ন হৈ থকা সামাজিক সাহায্য আঁচনি সমূহৰ আৱন্টিত পেঞ্চনৰ পৰিমাণ তলত উল্লেখ কৰা হল-

| ক্ৰমিক নং | সামাজিক সাহায্য আঁচনিসমূহ | মুঠ হিতাধিকাৰী | সাহায্যৰ পৰিমাণ |
|---|---|---|---|
| ১ | ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি | ৬,৭২,৫১৩ | ৮০ বছৰ আৰু ইয়াৰ উৰ্দ্ধৰ- ৫৫০ টকা (প্ৰতি মাহত) |
| | | | ৬০-৭৯ বছৰ ভিতৰত- ৪০০ টকা (প্ৰতি মাহত) |
| ২ | ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনি | ১,০৭,৩০৫ | ৮০ বছৰ আৰু ইয়াৰ উৰ্দ্ধব- ১৪৫০ টকা (প্ৰতি মাহত) |
| | | | ৪০-৭৯ বছৰ ভিতৰত- ১২৫০ টকা (প্ৰতি মাহত) |
| ৩ | ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় দিব্যাংগ পেঞ্চন আঁচনি | ৩০,৯৬১ | ৮০ বছৰ আৰু ইয়াৰ উৰ্দ্ধৰ- ৫০০ টকা (প্ৰতি মাহত) |
| | | | ১৮-৭৯ বছৰ ভিতৰত ৩০০ টকা (প্ৰতি মাহত) |
| ৪ | শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি (SKKSBPA) | ৯,২৭,৪৬৪ | ৮০ বছৰ আৰু ইয়াৰ উৰ্দ্ধৰ ৫৫০ টকা (প্ৰতি মাহত) |
| | | | ৬০-৭৯ বছৰ ভিতৰত- ৪০০ টকা (প্ৰতি মাহত) |

উল্লেখযোগ্য যে, অসম চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহৰ পৰা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি (IGNOAPS) আৰু স্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি (SKKSBPA)-ৰ অধীনত ৬০-৭৯ বছৰ বয়সৰ হিতাধিকাৰীসকলৰ মাহিলি পেঞ্চনৰ পৰিমাণ ২৫০ টকাৰ পৰা ৪০০ টকালৈ আৰু ৮০ বছৰ বা তাতোধিক বয়সৰ হিতাধিকাৰীসকলৰ ক্ষেত্ৰত ৫৫০ টকালৈ বৃদ্ধি কৰিছে। তদুপৰি, ২০২৩-২৪ বিত্তীয় বৰ্ষত অসম চৰকাৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি (IGNWPS) ৰ ৪০-৭৯ বছৰ বয়সৰ আৰু ৮০ বছৰ বা তাতোধিক বয়সৰ হিতাধিকাৰীসকলৰ বাবে নিজা পুঁজিৰে মাহিলি ৯৫০ টকাৰ ৰাজ্যিক সহায্য যোগ কৰি পেঞ্চনৰ মুঠ পৰিমাণ ক্ৰমে ১,২৫০ টকা আৰু ১,৪৫০ টকালৈ বৃদ্ধি কৰিছে।

বৰ্তমান অসমৰ সৰ্বমুঠ বৃদ্ধ, বিধৱা আৰু দিব্যাংগ লোকৰ মুঠ সংখ্যাৰ তথ্য ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ শাখাত উপলব্ধ নাই। ওপৰত উল্লেখ কৰা আঁচনি সমূহৰ জিলা ভিত্তিক তথ্য "পৰিশিষ্ট-ক" ত সংলগ্ন কৰা হ'ল।

(খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা সামাজিক সাহায্য আঁচনিসমূহৰ হিতাধিকাৰীসকলৰ যোগ্যতা পুনৰীক্ষণ (Re-verification) প্ৰক্ৰিয়া সময়ে সময়ে সম্পন্ন কৰা হয়। এই পুনৰীক্ষণ প্ৰক্ৰিয়াৰ ভিত্তিত অযোগ্য, মৃত বা অন্যান্য কাৰণত অনুপযুক্ত বুলি বিবেচিত হিতাধিকাৰীসকলক আঁচনিৰ পৰা কৰ্তন কৰা হয়। উল্লেখযোগ্য যে, পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত অযোগ্য বুলি বাদ দিয়া কোনো হিতাধিকাৰীক পৰৱৰ্তী সময়ত পুনৰ যোগ্য বুলি বিবেচিত হলে, তেওঁলোকক পুনৰ আঁচনিৰ আওতালৈ আনিবলৈ (Reinstatement) ব্যৱস্থা গ্ৰহণ কৰা হয়।

যোগ্যতা পুনৰীক্ষণ (Re-verification) প্ৰক্ৰিয়াত অনিয়মৰ ফলত প্ৰকৃত দৰিদ্ৰ পৰিয়াল পেঞ্চন লাভৰ পৰা বঞ্চিত হোৱাৰ কোনো সুনিৰ্দিষ্ট তথ্য এই বিভাগত উপলব্ধ নাই।

( সংলগ্ন পত্ৰ সমূহ “**cms.neva.gov.in**” পোৰটেলত আপলোড কৰা হৈছে )
(Enclosures are uploaded in the “**cms.neva.gov.in**” portal.)
*******

পৰিশিষ্ট -'ক'

## STATEMENT SHOWING NO. OF OLD AGE, WIDOW AND DISABLE BENEFICIARIES UNDER NSAP

| Sl. No. | District | No. of Beneficiaries | | | |
|---|---|---|---|---|---|
| | | Old Age | | Widow | Disabled |
| | | Indira Gandhi National Old Age Pension Scheme | Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni | Indira Gandhi National Widow Pension Scheme | Indira Gandhi National Disability Pension Scheme |
| 1 | BAJALI | 5476 | 11760 | 1079 | 192 |
| 2 | BAKSA | 11282 | 31044 | 1758 | 659 |
| 3 | BARPETA | 33443 | 47683 | 4837 | 1007 |
| 4 | BISWANATH | 15091 | 24593 | 2453 | 764 |
| 5 | BONGAIGAON | 16679 | 15351 | 2559 | 679 |
| 6 | CACHAR | 36427 | 35461 | 5460 | 1786 |
| 7 | CHARAIDEO | 6750 | 10937 | 1642 | 466 |
| 8 | CHIRANG | 11108 | 19026 | 1840 | 578 |
| 9 | DARRANG | 23414 | 37581 | 2754 | 751 |
| 10 | DHEMAJI | 16682 | 29036 | 2286 | 656 |
| 11 | DHUBRI | 36080 | 47848 | 6860 | 1950 |
| 12 | DIBRUGARH | 27926 | 25133 | 4136 | 400 |
| 13 | DIMA HASAO | 3687 | 4198 | 580 | 96 |
| 14 | GOALPARA | 22476 | 30831 | 3983 | 1191 |
| 15 | GOLAGHAT | 26416 | 27275 | 3801 | 1205 |
| 16 | HAILAKANDI | 15638 | 16095 | 2696 | 869 |
| 17 | HOJAI | 19631 | 24764 | 2245 | 602 |
| 18 | JORHAT | 20967 | 33888 | 3141 | 814 |
| 19 | KAMRUP | 33486 | 43946 | 4888 | 879 |
| 20 | KAMRUP METRO | 6752 | 16679 | 725 | 126 |
| 21 | KARBI ANGLONG (*including West Karbi Anglong*) | 18804 | 15323 | 2919 | 541 |
| 22 | KOKRAJHAR | 21451 | 33082 | 4134 | 1621 |
| 23 | LAKHIMPUR | 22389 | 52239 | 3658 | 1483 |
| 24 | MAJULI | 5116 | 16050 | 554 | 188 |
| 25 | MORIGAON | 22644 | 42674 | 3479 | 1178 |
| 26 | NAGAON | 41821 | 62549 | 7156 | 2185 |
| 27 | NALBARI | 16510 | 35844 | 2629 | 547 |
| 28 | SIVASAGAR | 17434 | 27613 | 3821 | 1199 |
| 29 | SONITPUR | 24871 | 22598 | 3444 | 1243 |
| 30 | SOUTH SALMARA-MANCACHAR | 9611 | 2179 | 2087 | 446 |
| 31 | SRIBHUMI | 26387 | 13979 | 3744 | 1602 |
| 32 | TAMULPUR | 12033 | 16919 | 1953 | 560 |
| 33 | TINSUKIA | 24805 | 32414 | 3675 | 1311 |
| 34 | UDALGURI | 19226 | 20872 | 4329 | 1187 |
| | **TOTAL** | **672513** | **927464** | **107305** | **30961** |